NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ডনাল্ড টাস্কৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব।

২। সমগ্ৰ দেশত কাইলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব।

৩। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে ভাৰতীয় অৰ্থনীতিৰ উত্তৰণত হস্তশিল্প খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰিছে।

৪। অসম মন্ত্ৰীসভাই ইছলামধৰ্মী লোকসকলৰ বিবাহৰ ক্ষেত্ৰত ১৮ বছৰ বয়সৰ তলৰ কোনো লোকৰে বিবাহ পঞ্জীয়ন নকৰাৰ বাবে এখন বিধেয়ক উত্থাপনত অনুমোদন জনাইছে। ***আৰু***

৫। ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণে জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পোলেণ্ডৰ ৰাজধানী ৱাৰশ্ব'ত দেশখনৰ প্ৰধানমন্ত্ৰী ডনাল্ড টাস্কৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। আলোচনাকালত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা চলোৱাৰ লগতে ভালেমান বিষয় লৈ মত বিনিময় কৰাৰ সম্ভাৱনা আছে। দুয়ো পক্ষৰ মাজৰ এই বৈঠকে অন্য বিকল্প অন্বেষণৰো সুযোগ প্ৰদান কৰিব। শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আন্দ্ৰেজ ডুডাকো সাক্ষাৎ কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। তেওঁ লগতে অজ্ঞাত সৈনিকৰ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰিব। তেওঁ বিশিষ্ট ব্যৱসায়ী আৰু পোলেণ্ডৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিৰ সৈতে মত বিনিময় কৰিব।

ৱাৰশ্ব'ত যোৱা নিশা প্ৰবাসী ভাৰতীয়সকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ভাৰতে সকলোৰে সৈতে সংপৃক্ত হৈ থাকিব বিচাৰে আৰু সকলোৰে উন্নয়ন তথা কল্যাণ কামনা কৰে। তেওঁ কয় যে দশক দশক ধৰি ভাৰতে নিৰপেক্ষতাৰ নীতি অৱলম্বন কৰিছিল যদিও সম্প্ৰতি সকলো ৰাষ্ট্ৰৰ সৈতে ঘনিষ্ঠ হৈ থকাই বৰ্তমানৰ ভাৰতৰ নীতি। তেওঁ কয় যে ভাৰতে এয়া যুদ্ধৰ যুগ নহয় বুলি গণ্য কৰে আৰু সংঘৰ্ষৰ অৱসানৰ বাবে আলোচনা তথা কূটনীতিত বিশ্বাস কৰে। ভাৰতে অঞ্চলটোত শান্তিৰ পোষকতা কৰে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে বিশ্বই সম্প্ৰতি ভাৰতবৰ্ষক বিশ্ববন্ধু হিচাপে সন্মান কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি পোলেণ্ড আৰু ইউক্ৰেইনৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত ৱাৰশ্ব'ত উপস্থিত হয়। শ্ৰীমোদীয়ে সামাজি মাধ্যমযোগে কয় যে এই ভ্ৰমণে ভাৰত আৰু পোলেণ্ডৰ মাজৰ মিত্ৰতা অধিক

সুদৃঢ় কৰিব আৰু দুয়োখন দেশৰ জনসাধাৰণক উপকৃত কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে বিগত ৪৫ বছৰত এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম পোলেণ্ড ভ্ৰমণ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ আমন্ত্ৰণ মৰ্মে ইউক্ৰেইনত উপস্থিত হ'ব। এয়া হ'ব ১৯৯২ চনত দ্বিপাক্ষিক সম্পৰ্ক আৰম্ভ হোৱাৰ পাছৰে পৰা কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ইউক্ৰেইন ভ্ৰমণ। কীভত প্ৰধানমন্ত্ৰী মোদী ৰাজনীতি, ব্যৱসায়, অৰ্থনীতি, বিনিয়োগ, শিক্ষা, সংস্কৃতি, জনসম্পৰ্ক আৰু মানৱীয় সাহায্যকে ধৰি বিভিন্ন দ্বিপাক্ষিক বিষয় লৈ আলোচনা কৰিব। শ্ৰীমোদীয়ে লগতে শিক্ষাৰ্থীসহ ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময়ো কৰিব। প্ৰধানমন্ত্ৰীৰ এই ঐতিহাসিক ইউক্ৰেইন ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰসাৰত সহায় কৰিব।

0000000

সমগ্ৰ দেশত কাইলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হব। যোৱা বছৰ এই দিনটোতে চন্দ্ৰযান -৩ অভিযানৰ বিক্ৰম নামৰ লেণ্ডাৰ যানখনে চন্দ্ৰপৃষ্ঠত নিৰাপদে অৱতৰণ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে Touching Lives while Touching the Moon: India's Space Saga অৰ্থাৎ চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা ঃ ভাৰতৰ মহাকাশ যাত্ৰা। সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱত গুৰুত্ব আৰোপ কৰি এই বিষয়বস্তু বাছনি কৰা হৈছে।

মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কয় যে এয়া প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস হব আৰু এয়া অকল উদযাপনৰে দিন নহয় বৰং আত্মানুসন্ধান আৰু ভৱিষ্যতৰ বাবে কাৰ্যপন্থা যুগুতোৱাৰ দিন। ড০ সিঙে কয় যে, মহাকাশ অৰ্থব্যৱস্থা অহা ১০ বছৰত ৫ গুণ বৃদ্ধি পাই ৪ হাজাৰ ৪শ কোটি ডলাৰ হোৱাৰ সম্ভাৱনা আছে।

আমাৰ সংবাদদাতাই জনাইছে যে বিগত এটা মাহত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপনৰ অৰ্থে দেশজুৰি এহেজাৰৰো অধিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে ভাৰতীয় মহাকাশ হেকাথনৰ আৰু ইছৰো ৰবটিকছ্ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

0000000

ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা চম্পাই চোৰেণে কালি দলৰ ভিতৰচ'ৰাত উত্তেজনা বৃদ্ধিৰ মাজতে নতুন ৰাজনৈতিক দল গঠনৰ কথা ঘোষণা কৰে। শ্ৰীচোৰেণে কয় যে কৰ্মীসকলৰ সৈতে আলোচনাৰ পাছত নতুন দলটোৰ নাম ঘোষণা কৰা হ'ব।

নিজৰ গৃহ সমষ্টি চৰাইকেলা-খাৰছাৱানত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ নতুন মিত্ৰতাৰ বাবে আৰু একে মনোভাৱৰ দলৰ সৈতে বুজাবুজি কৰিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

জে এম এমৰ নেতাৰ ওচৰত অপমানিত হোৱা বুলি প্ৰকাশ কৰাৰ পাছত তেওঁ নিজৰ পৰিকল্পনাত দৃঢ় বুলি জানিবলৈ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে ভাৰতীয় অৰ্থনীতিৰ উত্তৰণত হস্তশিল্প খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত ২৪ সংখ্যক হস্তশিল্প ৰপ্তানি বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি তেওঁ সম্প্ৰতি হস্তশিল্প খণ্ডৰ বিকাশৰ হাৰ প্ৰায় ৯ৰ পৰা দহ শতাংশ বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে মহিলাসকলক হস্তশিল্প খণ্ডত যোগ দিবলৈ উৎসাহ যোগায়।

হস্তশিল্পৰ ৰপ্তানি প্ৰচাৰ পৰিষদে এই খণ্ডৰ শীৰ্ষ ৰপ্তানিকাৰীসকলক সন্মান জনোৱাৰ উদ্দেশ্যে অনুষ্ঠানটোৰ আয়োজন কৰিছিল। অনুষ্ঠানত অজয় গুপ্তাৰ চি.এল. গুপ্তা এক্সপ'ৰ্টছ লিমিটেডে ২০১৯-২০ আৰু ২০২০-২১ দুয়োটা বৰ্ষৰ বাবে শীৰ্ষ হস্তশিল্প বঁটা লাভ কৰে। জম্মু-কাশ্মীৰৰ মুজাফৰ হুছেইনক জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হয়।

০০০০০০০

অসম মন্ত্ৰীসভাই ইছলামধৰ্মী লোকসকলৰ বিবাহৰ ক্ষেত্ৰত ১৮ বছৰ বয়সৰ তলৰ কোনো লোকৰে বিবাহ পঞ্জীয়ন নকৰাৰ বাবে এখন বিধেয়ক উত্থাপনত অনুমোদন জনাইছে। এই বিধেয়কখনৰ জৰিয়তে বিশেষ পৰিস্থিতিত ১৮ বছৰৰ তলৰ লোকৰো বিবাহ পঞ্জীয়নৰ অনুমতি প্ৰদান কৰা ১৯৩৫ চনৰ মুছলিম বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন তথা নিয়মাৱলী বিলুপ্তি সাধন কৰিব খোজা হৈছে। কালি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই অসমৰ কন্যা-ভগ্নীসকলৰ বাবে ন্যায় সুনিশ্চিত কৰাৰ উদ্দেশ্যে শিশু বিবাহৰ বিৰুদ্ধে অতিৰিক্ত সুৰক্ষাৰ ব্যৱস্থা কৰি বৃহৎ পদক্ষেপ লৈছে। নতুন বিধেয়কখন বিধানসভাৰ পৰৱৰ্ত্তী অধিবেশনত উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই চি এন জিৰ ওপৰত আৰোপিত মূল্য সংযোজিত কৰ ভেট ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। ইয়াৰ উপৰি মন্ত্ৰীসভাই অসম কৰ্কট ৰোগী পৰিচৰ্যা প্ৰকল্পলৈ সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে ২০২৪-২৫ বৰ্ষৰ বাবে ২০০ কোটি টকাৰ বিত্তীয় অনুমোদন জনাইছে।

০০০০০০০

ভাৰতৰ সতীশ কুমাৰ কৰুণা কৰণে য়োকোহামাত অনুষ্ঠিত জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। প্ৰথম ৰাউণ্ডত কালি ডেনমাৰ্কৰ প্ৰতিদ্বন্দ্বী এণ্ড্ৰাৰ্ছ এণ্টনছেনে আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰাত সতীশ কুমাৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কৰুণাকৰণ আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ কাণ্টাফোন ৱাংচাৰোৱেনৰ সন্মুখীন হ'ব।

০০০০০০০

শেহতীয়া পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰা ভাৰতীয় পুৰুষ হকী দলটোক কালি ভুৱনেশ্বৰ বিমানবন্দৰত অনুৰাগী আৰু ওড়িশা চৰকাৰে বিশেষভাৱে আদৰণি জনায়। ওড়িশাৰ ক্ৰীড়া মন্ত্ৰী সূৰ্যবংশী সুৰজ, মুখ্য সচিব ভাস্কৰ জ্যোতি শৰ্মাকে ধৰি আন চৰকাৰী বিষয়াসকলে হকী

ইণ্ডিয়াৰ অধ্যক্ষ ড০ দিলীপ কুমাৰ তির্কী আৰু কোষাধ্যক্ষ ছেকৰ জে মনোহৰনৰ সৈতে বিমানবন্দৰত দলটোক আদৰণি জনায়।

ভাৰতীয় হকী দলটোক একেৰাহে অলিম্পিকত পদক জয় কৰা বাবে ভুবনেশ্বৰত এটা মুকলি বাছ পেৰেডেৰে সন্মান জনোৱা হয়। ইয়াৰ পাছত খেলুৱৈসকলৰ বাবে কলিংগ ষ্টেডিয়ামত সম্বর্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু তাৰকা ডিফেণ্ডাৰ অমিত ৰোহিদাসে ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক স্বাক্ষৰ সম্বলিত এটা জার্চি প্ৰদান কৰে।

ইফালে, ওড়িশাৰ অমিত ৰোহিদাসে মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু উপ মুখ্যমন্ত্ৰী কনক বৰ্ধন সিং দেওৰ পৰা চাৰি কোটি টকাৰ বিশেষ বঁটা লাভ কৰে। একেদৰে দলৰ গ'লৰক্ষক শ্ৰীজেশে ৫০ লাখ টকাৰ পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে বাকী খেলুৱৈসকলে ১৫ লাখ টকাকৈ লাভ কৰে।

00000000

বিহাৰৰ পাটনাৰ পাটলীপুত্ৰৰ ক্ৰীড়া পৰিসৰত আজি খেলো ইণ্ডিয়াৰ পূব মণ্ডলৰ অস্মিতা যোগাসন প্ৰতিযোগিতা আৰম্ভ হ'ব। বিহাৰ যোগাসন ক্ৰীড়া সন্থাই প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অসম, বিহাৰ, ঝাৰখণ্ড, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, পশ্চিম বংগ আৰু ওড়িশাকে ধৰি পূব মণ্ডলৰ ১১খন ৰাজ্যৰ ৫০০ গৰাকী মহিলা খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ১২ৰ পৰা ১৮ বছৰ আৰু ১৮ৰ পৰা ৫৫ বছৰ বয়সৰ খেলুৱৈয়ে পাঁচটা মূল শিতানত ভাগ ল'ব। খেলো ইণ্ডিয়া ৱ'মেনছ লীগৰ ইউটিউব চেনেলযোগে প্ৰতিযোগিতাৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। এই তিনিদিনীয়া প্ৰতিযোগিতাখনিৰ অহা ২৪ আগষ্টত সামৰণি পৰিব।

00000000

কেৰালা চৰকাৰে ভাৰতীয় হকী দলৰ প্ৰাক্তন গ'লৰক্ষক তথা শেহতীয়া পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী পি আৰ শ্ৰীজেছলৈ ২ কোটি টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে । ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়নৰ সভাপতিত্বত কালি অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা হয়।

কেৰালা চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে সামাজিক মাধ্যমযোগে কৈছে যে ভাৰতীয় হকীৰ ‘গ্ৰেট ৱাল’ হিচাপে খ্যাত ৰাজ্যখনৰ এৰ্নাকুলাম জিলাৰ কিঝাক্কাম্বালম গাঁৱৰ পি আৰ

শ্ৰীজেছে পেৰিছ অলিম্পিকত নিজৰ দ্বিতীয়টো অলিম্পিক পদক লাভ কৰি ভাৰত আৰু কেৰালাক গৌৰৱান্বিত কৰি তুলিছে।

oooooooo

সমাপ্ত